IJCRT.ORG ISSN : 2320-2882

INTERNATIONAL JOURNAL OF CREATIVE RESEARCH THOUGHTS (IJCRT)

An International Open Access, Peer-reviewed, Refereed Journal

# শৈলীবিজ্ঞানৰ আধাৰত হোমেন বৰগোহাঞিৰ উপন্যাসৰ শৈলীঃ এক প্ৰায়োগিক দৃষ্টিভংগী৷

মুন মুন কৰ্মকাৰ
সহকাৰী অধ্যাপিকা [অংশকালীন]
প্ৰমথেশ বৰুৱা মহাবিদ্যালয়, গৌৰীপুৰ৷
দূৰভাষঃ- ৯৮৬৪৩২৪০২০

**অৱতৰণিকাঃ** উপন্যাস আধুনিক সাহিত্যৰ অন্যতম ফচল স্বৰূপ৷ পৌৰাণিক কালৰ পৰাই প্ৰাচ্যৰ সাহিত্যিক ক্ষেত্ৰখনত কাহিনীৰ প্ৰচলন কম-বেছি পৰিমানে চৰ্চিত হৈ আছিল যদিও উপন্যাস সাহিত্যৰ কিছু বিশেষ বিশেষত্ব লক্ষ্য কৰা যায়৷ অৰ্থাৎ ইয়াৰ উৎস প্ৰাচ্যৰ সাহিত্য ক্ষেত্ৰ হ'লেও পৰৱৰ্তী সময়ত পাশ্চাত্যৰ প্ৰভাৱেৰে উপন্যাস সাহিত্য পৰিপুষ্টিত ৰূপ লাভ কৰিছিল৷ অন্যান্য সাহিত্য ক্ষেত্ৰৰ দৰে উপন্যাসেও বিভিন্নজনৰ হাতত বিভিন্ন মাত্ৰা লাভ কৰিছে৷ আটাইৰে শৈলী নিৰ্মাণৰ দিশত এটা নিজস্ব কৌশল বা ধৰণ আছে৷ প্ৰকৃত স্বকীয়সম্পন্ন সৃষ্টিকৰ্ম প্ৰত্যক্ষ কৰিলেই শৈলী নিৰ্মাণৰ আঁৰত থকাজনৰ উমান পাব পাৰি৷ অসমীয়া উপন্যাসৰ জগতত হোমেন বৰগোহাঞি এগৰাকী জনপ্ৰিয় তথা বিৰল প্ৰতিভা৷ অজ্ঞাতভাৱে বহুবোৰ উপন্যাসৰ মাজৰ পৰা শৈলী বিচাৰ বা ধৰণ চাই তেওঁৰ উপন্যাসবোৰ বাচি উলিয়াব পাৰি৷ আটাইবোৰ দিশৰ পৰা বৰগোহাঞিৰ উপন্যাসৰ শৈলী স্বকীয় সম্পন্ন৷ শৈলীবিজ্ঞান আধুনিক ভাষাতাত্ত্বিক গৱেষণাৰ এক প্ৰকাৰ আহিলা ৰূপে পৰিগণিত৷ শৈলীবিজ্ঞানৰ আধাৰত সাহিত্যিক পাঠ এটাৰ শৈলী সম্পৰ্কে বিজ্ঞানসন্মত অধ্যয়ন কৰিব পাৰি৷ গৱেষণা পত্ৰখনত এক প্ৰায়োগিক দৃষ্টিভংগীৰে বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলী শৈলীবিজ্ঞানৰ আধাৰত আলোচনা কৰি দেখুওৱা হ'ব৷

**বীজ শব্দঃ** শৈলী, শৈলী বিজ্ঞান, উপন্যাস, হোমেন বৰগোহাঞি, উপন্যাসিক৷

**অধ্যয়নৰ পদ্ধতিঃ** এক প্ৰায়োগিক দৃষ্টিভংগীৰে হোমেন বৰগোহাঞিৰ উপন্যাসৰ শৈলী অধ্যয়ন কৰোতে শৈলীবিজ্ঞানগত বিষয়বোৰৰ আধাৰত আলোচনা কৰা হ'ব৷ বিষয়বস্তুৰ উপস্থাপন বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ'ব৷

**অধ্যয়নৰ উৎসঃ** গৱেষণাৰ বিষয়বস্তু অধ্যয়ণ কৰিবলৈ যাওঁতে মুখ্য উৎস হিচাপে উপন্যাসিকৰ মূল উপন্যাসখন লোৱা হৈছে আৰু তত্ত্ব বিষয়ক গ্ৰন্থৰ সহায় লোৱা হৈছে। গৌণ উৎস হিচাপে অন্যান্য প্ৰাসংগিক গ্ৰন্থবোৰৰ সহায় লোৱা হৈছে।

**অধ্যয়নৰ পৰিসৰঃ** গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে পৰিসৰ হিচাপে হোমেন বৰগোহাঞিদেৱৰ সুবালা, তান্ত্ৰিক, হালধীয়া চৰায়ে বাও ধান খায়, মৎসগন্ধা, পিতাপুত্ৰ ইত্যাদি প্ৰায়বোৰ উপন্যাসক সামৰি লোৱা হৈছে। উপন্যাসবোৰৰ শৈলী শৈলীবিজ্ঞানৰ তত্ত্বৰ আধাৰত আলোচনা কৰি দেখুওৱা হৈছে।

**অধ্যয়নৰ উদ্দেশ্যঃ** ইতিপূৰ্বে উল্লেখ কৰা হৈছে, অসমীয়া উপন্যাস সাহিত্যই বিভিন্নজনৰ শৈলীত বিভিন্ন মাত্ৰৰে গঢ়লৈ উঠিছে। উপন্যাসৰ শৈলী অধ্যয়নে বা ইয়াৰ তাত্ত্বিক অভিনৱত্বসমূহৰ বিচাৰ বিশ্লেষণে সংশ্লিষ্ট ভাষা এটাৰ ভাষিক সৃজনশীল দিশবোৰ দৃষ্টিগোচৰ হয়। তাৰোপৰি বৰগোহাঞিৰ উপন্যাসৰ শৈলীত ভাষাৰ এনে প্ৰায়োগিক সম্ভাৱনাই কেনেদৰে অসমীয়া ভাষাক পৰিপুষ্টি যোগাইছে, সেয়া প্ৰতিপন্ন কৰাৰ চেষ্টা কৰা হৈছে। শৈলীবিজ্ঞানৰ প্ৰায়োগিক দৃষ্টিভংগীয়ে বিজ্ঞানসন্মত সমালোচনাৰ পথ সুগম কৰাৰ সম্ভাৱনা থাকে। এয়াই আমাৰ গৱেষণাৰ উদ্দেশ্য।

**পূৰ্বকৃত অধ্যযনৰ স্বৰূপঃ** শৈলীবিজ্ঞান সম্পৰ্কীয় তাত্ত্বিক সমল বা গ্ৰন্থবোৰৰ ভিতৰত অনুৰাধা শৰ্মাৰ গ্ৰন্থখনত শৈলী বিজ্ঞানৰ তাত্ত্বিক বিশ্লেষণৰ লগতে বেজবৰুৱা, বাণীকান্ত কাকতিৰ শৈলীকে আদি কাৰি কেইখনমান স্বকীয় শৈলী সম্পৰ্কীয় আলোচনা পোৱা যায়। ৰাতুল ডেকাৰ 'সাহিত্য সমালোচনা তত্ত্ব'ত ভূপেন হাজৰিকাৰ গীতৰ শৈলী আলোচিত হৈছে। তাৰোপৰি ইংৰাজী, বাংলা আৰু গ্ৰন্থপঞ্জীত উল্লেখিত বাকী কেইখন অসমীয়া শৈলীবিজ্ঞান সম্পৰ্কীয় গ্ৰন্থত শৈলীবিজ্ঞানৰ তত্ত্ব সানমিহলি শৈলীৰ উদাহৰণেৰে আলোচনা কৰা দেখা যায়। হোমেন বৰগোহাঞিৰ উপন্যাসৰ শৈলী শৈলীবিজ্ঞানৰ আধাৰত আলোচিত হোৱা এতিয়ালৈকে আমাৰ দৃষ্টিগোচৰ হোৱা নাই। যিয়েই নহওক, শৈলীবিজ্ঞানৰ আলোচনাৰ আধাৰ বা parameter যেনে - ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, বাক্যিক আৰু শব্দতাত্ত্বিক প্ৰসংগ অনুযায়ী বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলী সম্পৰ্কে ইয়াত আলোচনা কৰা হ'ব।

**মূল বিষয়ঃ-** ইংৰাজী 'Stylistics' ৰ প্ৰতিশব্দ ৰূপে 'শৈলীবিজ্ঞান' অভিধাটো ব্যৱহাৰ কৰা হয়। লিখিত বা অলিখিত সাহিত্যিক পাঠ এটাৰ বিজ্ঞানসন্মত আৰু শৃংখলাবদ্ধ শৈলী সম্পৰ্কীয় আলোচনাকেই শৈলীবিজ্ঞান বুলি ক'ব পাৰি। Paul Simpson ৰ মতে, "Stylistics is a mathod of textual interpretation in which primacy of place is assigned to language"[১] সাহিত্য আৰু ভাষা দুয়োটা অঙ্গাঙ্গী। সাহিত্যত সংশ্লিষ্ট ভাষাৰ ভাষিক সমলবোৰত বিশেষ তথা কৌশলগত প্ৰয়োগ সম্পৰ্কে শৈলীবিজ্ঞানে বিচাৰ-বিশ্লেষণ কৰে। অনুৰাধা শৰ্মাৰ মতে, "শৈলী হৈছে বক্তা বা লেখকৰ ভাষা প্ৰয়োগৰ স্বকীয়তা বা নিজস্বতা; যি নিজস্বতা ভাষাৰ উপাদনসমূহৰ প্ৰয়োগৰ বৈশিষ্ট্যৰ ওপৰত নিৰ্ভৰ কৰে।[২] শৈলীবিজ্ঞানৈ ব্যক্তি বা যুগ বিশেষৰ এনে স্বকীয়তা বা নিজস্বতাক অধ্যন কৰে। শৈলী বিচাৰৰ ক্ষেত্ৰত শৈলীবিজ্ঞানে কিছুমান Parameter বা ভাষিক প্ৰসংগক প্ৰণালীবদ্ধভাৱে বিচাৰ্যতাৰ বিষয়

ৰূপে গ্ৰহণ কৰে। উদাহৰণস্বৰূপে – ধ্বনিগত প্ৰসংগ, ৰূপতাত্ত্বিক প্ৰসংগ, বাক্যিক প্ৰসংগ, শব্দ প্ৰসংগ, বাক বিন্যাস ইত্যাদি। এইবোৰৰ সহায়ত সাহিত্যিক পাঠৰ ভাষিক বিষয়বস্তুৰ স্বকীয়তা নিৰূপণ কৰা হয়।

এতিয়া শৈলীবিজ্ঞানগত ধ্বনিগত প্ৰসংগ, ৰূপতাত্ত্বিক প্ৰসংগ, বাক্যিক আৰু শব্দতাত্ত্বিক প্ৰসংগৰ ভিত্তিত হোমেন বৰগোহাঞিৰ শৈলীৰ আলোচনালৈ আহিম –

**ধ্বনিতাত্ত্বিক প্ৰসংগঃ-** শৈলী বিজ্ঞানত ধ্বনিৰ আলোচনা সুকীয়া। ধ্বনিক আশ্ৰয় কৰি গঢ় লোৱা ধ্বনিকেন্দ্ৰিক শৈলীবিজ্ঞান সম্পৰ্কে ডেভিদ ক্ৰিষ্টলৰ সংজ্ঞাটো মন কৰিবলগীয়া – “That branch of stylistics cohich investigates the exressive functions of sounds.”[৩] শৈলীবিজ্ঞানৰ ধ্বনিতাত্ত্বিক প্ৰসংগই Phono-centrism বা ধ্বনিকেন্দ্ৰিকতা, ধ্বনিৰ মিল-অমিল, ধ্বন্যাত্মকতা, ধ্বনিগত প্ৰক্ৰিয়া ইত্যাদি বিষয়বোৰ আলোচনা কৰে। সৰ্ব ক্ষেত্ৰতে ভাষাৰ সাহিত্যিক প্ৰয়োগত ধ্বনি প্ৰাথমিক একক। আপাত দৃষ্টিত নিৰৰ্থক এনে ধ্বনিসমূহে খুব কৌশলগতভাৱে শব্দৰ পৰা বাক্যত প্ৰয়োগ হৈ পাঠ বা Text একোটা স্বকীয় সম্পন্ন হৈ উঠাত মূখ্য ভূমিকা গ্ৰহণ কৰে। ধ্বনিৰ প্ৰায়োগিক দিশৰ কাৰুকাৰ্যতাই লেখকৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰাটো স্বাভাৱিক।

আধুনিক উপন্যাসৰ ক্ষেত্ৰতখনত চকু ফুৰালে হোমেন বৰগোহাঞিৰ উপন্যাসৰ যে এক স্বকীয় শৈলী আছে সেয়া নিশ্চিত ৰূপে অনুমেয়। তেওঁৰ উপন্যাসৰ স্বকীয় বৈশিষ্ট্য ৰূপে ভাৱৰ লগত খাপ খোৱা অতি সাধাৰণ তথা সহজ-সৰল ভাষাৰে স্পষ্ট বাক্যৰ সংযোজনক মুখ্য বুলি ক'ব পাৰি। কলেৱৰৰ দিশতো তেওঁৰ উপন্যাসবোৰ সাম্প্ৰতিক সময়ত ৰচিত উপন্যাসতকৈ যথেষ্ট সামঞ্জস্যপূৰ্ণ আৰু বিষয়বস্তু নিৰ্দিষ্ট কায়িক পৰিকাঠামেৰে যথোচিত। ৰচনাৰীতি পোনপোটীয়া অৰ্থাৎ যিখিনি তেওঁ পাঠকক প্ৰকাশ কৰিব খোজে সেইখিনিয়েই বৰ্ণিত, অলাগতিয়াল বিষয় তেওঁৰ ৰচনাত বৰ্ণনা হোৱা নাই।

স্বাভাৱিকভাৱেই বৰগোহাঞিদেৱৰ ৰচনাত কম্পিত 'ৰ' ধ্বনিয়ে সম্বন্ধ তথা এটা পদৰ সৈতে আনটোৰ সম্পৰ্ক স্থাপন কৰা হৈছে। তদুপৰি 'ৰ' ধ্বনিৰ নন্দনতাত্ত্বিক ব্যৱহাৰ তেওঁৰ ৰচনা শৈলীত স্বকীয়তা ৰক্ষা কৰিছে। উদাহৰণ স্বৰূপে –

'বায়েৰৰ কাৰণে ঘৰ-জোঁৱাই চপাই তাৰ পাছত তাকো বায়েৰৰ সতিনী কৰি দিব লাগে, নহয়?'[৪] [সুবালা]

'ই' ধ্বনিৰ সঘন ব্যৱহাৰ বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলীৰ এটা চকুত পৰিবলগীয়া বৈশিষ্ট্য। স্বৰধ্বনিয়ে প্ৰধানকৈ সুৰ-লয় ৰক্ষাৰ ক্ষেত্ৰত অধিক সক্ৰিয়। 'ই' উচ্চ স্বৰধ্বনি; ভাৱৰ তীব্ৰতা সূচক। হোমেন বৰগোহাঞিদেৱৰ শৈলীতো 'ই'ধ্বনিটো বাৰে বাৰে যথোচিত ঠাইত ব্যৱহাৰ হৈ বিষয়বস্তুক অধিক স্পষ্টকৈ নিশ্চিতভাৱে চিত্ৰধৰ্মী ৰূপত স্থান পাইছেহি –

কান্দি কান্দিয়েই তাই ক'লে 'কেৱল আজিয়েই নহয় বাছা। আৰু কোনোদিনেই তই স্কুললৈ যাব নালাগে। আমাৰ নিচিনা আৰু কোনোদিনেই তই স্কুললৈ যাব নালাগে। আমাৰ নিচিনা লাও-লোৱা দুখীয়া মানুহৰ।'[৫] [হালধীয়া চৰায়ে বাওধান খায়]

ধ্বনিৰ মিল-অমিল বিশেষভাৱে কবিতাৰ ক্ষেত্ৰত অধিক স্পষ্টভাৱে বিচৰ্যতাৰ বিষয়। সেয়ে হ'লেও অন্যান্য গদ্যবোৰতো যে ধ্বনিৰ মিল-অমিলৰ প্ৰসংগ নাথাকে তেনে কথা খাটাংকৈ কৈ দিব নোৱাৰি। আলোচ্য ঔপন্যাসিকগৰাকীৰ শৈলীত তেনে প্ৰসংগ নিশ্চিত ৰূপে প্ৰযোজ্য। 'হালধীয়া চৰায়ে বাওধান খায়' উপন্যাসটোত ব্যৱহৃত এটি প্ৰবচনে ধ্বনিগত মিলৰ আৰ্হিটো দেখা যায় –

'মোৰ পো দুষ্ট, মোকে কাটে মোকে মাৰে, মোকে কৰে তুষ্ট।'[৬]

ইয়াত 'ম', 'ক' ইত্যাদি ধ্বনিৰ মিল তথা Repetation আৰু অন্ত্যমিল দেখা গৈছে। ধ্বনিৰ এনে প্ৰক্ৰিয়াই মনত ৰখাত সহায়ক হোৱাৰ লগতে এক প্ৰকাৰ লয়ৰ সৃষ্টি কৰি শ্ৰতিমধুৰতা উপলব্ধ কৰায়। আকৌ ধ্বনিসমূহৰ পুনৰাবৃত্তিৰ ফলত কেতিয়াবা বাক্যৰ Structural দিশতো স্বকীয়তা প্ৰদান কৰে –

"আত্মহত্যা কৰিম। চিপজৰি লগাই মৰিম, পানীত পৰি মৰিম, বিষ খাই মৰিম, নিজৰ গাতে জুই লগাই দি পুৰি মৰিম।"[৭] [সুবলা]

ইয়াত সমধ্বনিযুক্ত "মৰিম" শব্দটোৰ পুনৰাবৃত্তিয়ে Structural Pattern তৈয়াৰ কৰি বক্তব্য বিষয়ক অধিক স্পষ্ট ৰূপত ফুটাই তোলাত ভূমিকা পালন কৰিছে।

মিলৰ সমান্তৰালকৈ ধ্বনিৰ অমিলৰ প্ৰসংগও সমানে গুৰুত্বপূৰ্ণ। হোমেন বৰগোহাঞিৰ উপন্যাসৰ অন্য এটি সাধাৰণ বৈশিষ্ট্য হৈছে বিষয়বস্তুৰ কাব্যিক ৰূপান্তৰ। তাকে কৰিবলৈ গৈ ঔপন্যাসিকগৰাকীয়ে নিজস্ব শৈলীৰ ধ্বনিগত মিলৰ লগে লগে অমিলৰ প্ৰসংগকো সমানে গুৰুত্ব দি অহা দেখা যায়। যাৰ ফলত উপন্যাসৰ শৈলী নিৰ্মাণত ধ্বনিৰ একচেটিয়া প্ৰায়োগিক প্ৰভাৱমুক্ত হৈ ভিন্ন সোৱাদযুক্ত কাব্যিক অভিনৱত্বৰ চৰম পৰ্যায়লৈ পৰিৱৰ্তিত হোৱাত যথোপযোগী হৈ উঠা দেখা যায়। আকৌ এনে নীতিৰ দ্বাৰা সাধাৰণ বিষয় এটাও অতি অসাধাৰণৰূপে ফুটাই তোলাত বৰগোহাঞিদেৱ সিদ্ধহস্ত বুলি ক'ব পাৰি। উদাহৰণ স্বৰূপে –

"হে সৃষ্টিৰ প্ৰথম জলধাৰা, তুমি পবিত্ৰ। এই জল-ধাৰাত স্নাতা হে নাৰী তুমিও পবিত্ৰ। তোমালোক দুয়োৰে পবিত্ৰতাৰ কিছু অংশ মোকো দান কৰা। প্ৰেম মোৰ কাম্য নহয়, আনন্দও নহয়, মোৰ একমাত্ৰ কাম্য চিৰ-স্ৰোতস্বিনী জল-ধাৰাৰ পবিত্ৰতা।"[৮] [তান্ত্ৰিক]

এনেদৰে ধ্বনিগত মিলৰ লগতে অমিলে পাঠকৰ ধ্বনি পুনৰাবৃত্তিৰ প্ৰত্যাশা ভংগ কৰিছে। অপ্ৰত্যাশিত ধ্বনিৰ অমিল প্ৰয়োগে হঠাতে পাঠকবৰ্গক বিস্মিত কৰি বিষয়বস্তুক অধিক উপভোগ্য তথা আকৰ্ষণীয় ৰূপত তুলি ধৰিছে।

ধ্বনিতাত্ত্বিক প্ৰসংগত ধ্বনিৰ ধ্বন্যাত্মক প্ৰয়োগৰ কথাও আলোচনা কৰা হয়। ধ্বনিৰ ধ্বন্যাত্মকতাই পাঠ এটাক পাঠকৰ অনুভূতিৰ লগত সংযোগ ঘটায়। যাৰ ফলশ্ৰুতিত Symbolic দ্যোতনাৰ সহযোগত পাঠকৰ মনস্তাত্ত্বিক জগতত দ্ৰুত প্ৰৱেশৰ দ্বাৰা চিত্ৰধৰ্মী হৈ উঠা পৰিলক্ষিত হয়। ধ্বনিৰ এনে ধ্বন্যাত্মক প্ৰয়োগ প্ৰাথমিক আৰু অপ্ৰধান ধ্বনিবৃত্তি দুই ধৰণে সম্ভৱপৰ হৈ উঠে। আলোচ্য উপন্যাসিক গৰাকীৰ উপন্যাসত ধ্বনিৰ ধ্বন্যাত্মক প্ৰয়োগ ঘটি বিভিন্ন ধ্বন্যাত্মক শব্দৰ বহুল ব্যৱহাৰ লক্ষ্য কৰা যায়। আটাইবোৰ

উপন্যাসতেই ধ্বন্যাত্মক শব্দবোৰ বিভিন্ন কাৰণত প্ৰয়োজন হৈ থকাটো মন কৰিবলগীয়া। উদাহৰণস্বৰূপে ক'ব পাৰি –

ঝৰ্‌ঝৰ্‌কৈ বৰষুণ পৰিব ধৰিছে, চট্‌চট্‌কৈ নিজৰ বাটত খোজ ল'লে,
কুকুৰৰ দৰে কেং কেং কৰি,
গুণ্‌গুণ্‌নিৰ শব্দ,
ঢেক্‌ঢেক্‌কৈ বিজয়ৰ হাঁহি

ঝৰ্‌ঝৰ্‌কৈ, কেং কেং কৰি, গুণগুণনিৰ, ঢেকঢেককৈ, চট্‌চট্‌কৈ ইত্যাদি প্ৰাথমিক ধ্বনিবৃত্তিৰ ফলত উৎপন্ন হোৱা ধ্বন্যাত্মক শব্দই ক্ৰমে বৰষুণ, কুকুৰৰ মাত, শব্দ, হাঁহি, খোজ কঢ়া ইত্যাদি বিষয়বোৰক গতিশীল ৰূপ প্ৰদান কৰিছে। বিষয়বস্তুৰ এনে চলমান বৰ্ণনাই পাঠকৰ চকুৰ আগত পলকতে একো একোখন বাস্তৱ চিত্ৰ ভাহি অহাটো স্বাভাৱিক। বৰগোহাঞিদেৱৰ উপন্যাসত এনে অজস্ৰ উদাহৰণ থকাটো আটাইৰে অনুমেয়। তেনেকৈ উপন্যাসবোৰত অপ্ৰধান ধ্বনিবৃত্তিৰ ফলত গঠন হোৱা ধ্বন্যাত্মক শব্দৰ প্ৰাচুৰ্য্যও মনকৰিবলগীয়া। এনেধৰণৰ ধ্বন্যাত্মক শব্দবোৰে আকৌ পাঠকৰ অন্তৰত বিষয়বস্তু সম্পৰ্কে একোটা স্থিৰ চিত্ৰ অংকণত ভূমিকা গ্ৰহণ কৰে। উদাহৰণ স্বৰূপে দেখুৱাব পাৰি –

একা-বেঁকা জুৰিৰ দৰে,
জহি-খহি শেষ হৈ যায়,
ইটো-সিটো নানা কথা,
কুঁচি-মুচি মই পুনৰ শুই পৰো, ইত্যাদি।

– এনেদৰে অনুকাৰহীন একোটা ধ্বনি প্ৰবৃত্তিয়ে শব্দ আৰু চিত্ৰৰ মাজত সংবেদনশীল স্থিৰতা নিশ্চিত কৰিছে। অপূৰ্ব কুমাৰ ৰায়ে এনে দুই প্ৰকাৰৰ শব্দৰ প্ৰকৃতি সম্পৰ্কে এনেদৰে কৈছে, "দুই ধরণের ধ্বন্যাত্মক শব্দ স্বভাবতই দুই ধরণের বাক্‌প্রতিমা সৃষ্টি করে: গতিশীল বাক্‌প্রতিমা এবং স্থিতিশীল বাক্‌প্রতিমা।"[৯]

হোমেন বৰগোহাঞিৰ উপন্যাসৰ শৈলীৰ অন্যতম আৰু এটা দিশ হৈছে ধ্বনি লোপ, স্বৰভক্তি, অপিনিহিতি ইত্যাদি ধ্বনিগত প্ৰক্ৰিয়া। ধ্বনি লোপত শব্দৰ উচ্চাৰণত ধ্বনি সামান্য চুটি হৈ বাক্যৰ সৌন্দৰ্য্য ৰক্ষাত সহায়ক হয়। যেনে - "কি বুধি [বুদ্ধি] কৰি তাক ভাত খাবলৈ উলিয়াই অনা হয়।"[১০] [অস্তৰাগ] "কে'বাবাৰো (কেইবা) চিঞৰি চিঞৰি মাত নাপাই নিজেই সোমাই আহিলোঁ।"[১১] [সুবালা]

আকৌ অপিনিহিতি বা স্বভক্তিৰ দৃষ্টান্তও এনেধৰণৰ - "গোটেই সংসাৰে জানে ঘৈণীয়েৰৰ পেটত ল'ৰা জনম (জন্ম) দিবলৈকো তোৰ ক্ষমতা নাই।"[১২] [মৎসগন্ধা]

**ৰূপতাত্ত্বিক প্ৰসংগঃ** ৰূপতাত্ত্বিক প্ৰসংগত পদ গঠনৰ প্ৰক্ৰিয়াক সামৰি লোৱা হয়। সংশ্লিষ্ট ভাষাৰ গঠন পদ্ধতি তথা Grammatical দিশৰ অৱতাৰণা ইয়াৰ মূল কথা। ওপৰা-ওপৰিকৈ চালে ভাষা পদ্ধতি যিহেতুকে পূৰ্ব, নিৰ্ধাৰিত থাকে; সেয়ে ব্যক্তি বিশেষৰ শৈলীৰ স্বকীয়তা এক প্ৰকাৰ পূৰ্ণ ৰূপত প্ৰতিফলিত হোৱাৰ সম্ভাৱনা নাথাকে বুলিয়েই ক'ব পাৰি। কিন্তু সেয়ে হ'লেও সাহিত্যিক পাঠ আৰু কাব্যিকতাৰ সম্পৰ্ক যিহেতু ঘনিষ্ঠ; গতিকে বিভক্তি, প্ৰত্যয়, সমাস, পদ সাধনৰ অনন্য কৌশল ইত্যাদিৰ সহায়ত নিজস্বতাক উদ্

ভাসিত কৰিব পাৰি। সাহিত্যিক পাঠৰ Foregrounding ৰূপতত্ত্বৰ সৈতে অধিক ওচৰ চপা। Paul Simpson এ Foregrounding ৰ সংজ্ঞা দিছে এনেদৰে, “Foregrounding refers to a form of textual patterning which a motivatied specifically for literary-aesthetic purposes,”[১৩] এনে নান্দনিক সৌন্দৰ্য্য ৰূপতাত্ত্বিক ক্ষেত্ৰত অধিক কাৰুকাৰ্যতাৰে দেখুৱাব পৰা যায়।

হোমেন বৰগোহাঞিৰ উপন্যাসৰ শৈলীৰ বিভক্তিৰ স্বাভাৱিক প্ৰয়োগৰ মাজে মাজে কেতিয়াবা বিভক্তিৰ বিচ্যুতিকৰণ পদ্ধতিও চকুত নপৰা নহয়, পাঠৰ সৌন্দৰ্য্য বৃদ্ধিৰ ইও এটা কাৰণ। উদাহৰণ স্বৰূপে –

‘মজুৰি দিনে এদোন ধানা।’১৪ [মৎস্যগন্ধা]

‘ঘৈণীয়েক টোপনি গ’ল।’১৫ [পিতাপুত্ৰ]

ইয়াত ক্ৰমে ‘ত’ আৰু ‘এ’ বিভক্তিৰ হে যোগ কৰাৰ নিয়ম মান্য অসমীয়াত পোৱা যায়। কিন্তু বাক্য দুটাত ‘এ’ আৰু ‘ক’ বহি বিভক্তিৰ বিচ্যুতি দেখুওৱা হ’ল, ফলত Foregrounding এটাৰ সৃষ্টি হোৱাটো স্বাভাৱিক।

গোহাঞিদেৱৰ শৈলীত বৰ্ণনাৰ স্পষ্টতাৰ উদ্দেশ্যে এটা বাক্যতে একেজাতীয় একাধিক বিশেষণীয় শব্দ বা পদৰ অৱতাৰণা কৰা দেখা যায় –

‘শিৱনাথে স্বৰ্গতোক্তি কৰাৰ দৰে নিজকে কৈ উঠিল – সেই মিছলীয়া, ধুৰন্ধৰ, ফূৰ্তিবাজ, নোম-টেঙৰ, ভোজন-বিলাসী অৰ্থলোভী, স্থুল-স্বভাৱ।’[১৬] [পিতাপুত্ৰ]

বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলীৰ বিশেষণীয় বিশেষণ পদ গঠনৰ দিশত আঙুলিয়াব পাৰি। এনেবোৰ বিশেষণীয় বিশেষণে বিষয়বস্তুৰ তীব্ৰতা দাঙি ধৰাত অধিক উপযোগী। যেনে – টিলিং টিলিংকৈ আহি, দপদপ্‌কৈ জ্বলি, লাখটকীয়া মাল, টিক্‌টিকীয়া ৰঙা, চকচকীয়া ৰূপালী, ঘিটমিটীয়া এন্ধাৰ ইত্যাদি অজস্ৰ পদ পৰিলক্ষিত হয়। তাৰোপৰি বিশেষ প্ৰত্যয় কিছুমানৰ সহায়ত নতুন নতুন শব্দ গঠনৰ প্ৰৱণতা বৰগোহাঞিদেৱৰ শৈলী সত্ত্বাৰ অন্যতম এটি দিশ।

উদাহৰণস্বৰূপে – তৰ্কিবলৈ, কৰ্কৰীয়া, চেলেকিবলৈ, তিনিপট্টীয়, চালাকি, পাগুলিবলৈ, খুচুৰীয়া, ফুকলীয়া, চকলিয়াবলৈ ইত্যাদি।

কিছুমান সুকীয়া শব্দত শব্দ একোটা লগ লগাই নতুনত্ব বহন কৰিব পৰা গুণ উপন্যাসিকগৰাকীৰ শৈলীত স্পষ্ট। উদাহৰণ – চহৰবাসী, পিয়লকাৰী, মমত্ববোধ, নগৰৱালা, ডাঙ্কাটি, মেখেলা-তলীয়া, নেওচা-যোৱা, নাটেশ্বৰী, খেকাৰ-খোৱা, জোঁটাপুটি, কুকুৰ-ধূলি, ৰাণ্ডীগিৰী, মাটিগিৰি, কেৰাণীবাবু, উকিলবাবু, ভেল্কিবাজী ইত্যাদি। তাৰোপৰি শাব্দিক উদ্ভাৱনে একোটা শৈলীক স্বকীয়তাসম্পন্ন ৰূপত দাঙি ধৰে। বৰগোহাঞিদেৱৰ উপন্যাসত এনে উদ্ভাৱণীয়তা প্ৰচুৰ পৰিমানে দৃষ্টিগোচৰ হয়। দুই-এটা উদাহৰণ হৈছে –

১] লাং-লাং ঠাং-ঠাং অৱস্থা
২] মৃত্যু-শয্যাত শায়িতা
৩] অস্থি-চৰ্ম-সাৰ
৪] অগ্নি-বৰ্ষী সূৰ্য
৫] আত্ম-মগ্ন
৬] হাঁহিয়াতৰ পাত্ৰ
৭] সুগঢ়ী মঙহাল ঊৰু
৮] ঠন্‌ঠন মদনগোপাল
৯] ঢোৰা-কাউৰি
১০] ৰ'দে খাওঁ খাওঁ ভৰদুপৰীয়া
১১] বজৰুৱা মাইকী
১২] দিক্-চিহ্ন-হীন অন্ধকাৰ
১৩] কু-চক্ৰী দুষ্ট মানুহ
১৪] ষণ্ডমাৰ্কা চেহেৰা৷

বৰগোহাঞিৰ শৈলীত স্থানীয় প্ৰভাৱত নিৰ্দিষ্টতাবাচক প্ৰত্যয় কিছুমানৰ সহায়ত পদ গঠন কৰি নন্দনতাত্ত্বিক সৌন্দৰ্য্য বৃদ্ধি কৰা অনুভৱ হয়৷ যেনে - এহালিচা পাতনি, এদোন ধান, এমোকোৰা হাঁহি ইত্যাদি৷ আকৌ প্ৰত্যয়ান্ত প্ৰভাৱত নান্দনিক সৌন্দৰ্য্য সৃষ্টিৰ তাড়নাত উপভাষাজনিত কাৰুকাৰ্যতাৰে পদ গঠন কৰি আভ্যন্তৰিণ দিশত অভিনৱত্ব প্ৰতিফলিত কৰোৱাত তেওঁ সাৰ্থক৷ উদাহৰণ স্বৰূপে - পা - পইচা, হৈ-হল্লা ইত্যাদি৷

**বাক্যিক প্ৰসংগঃ** শৈলীবিজ্ঞানত বাক্যিক প্ৰসংগৰ আলোচনাত বাক্য গঠনৰ ব্যতিক্ৰমি বিশিষ্ট কৌশলক সামৰি লোৱা হয়৷ বৰগোহাঞিৰ উপন্যাসৰ শৈলীত এই বিশিষ্ট কৌশল স্বৰূপ সংশি¡ষ্ট ভাষাৰ প্ৰাথমিক গাঁথনিগত চৰ্তসমূহৰ উলংঘন কৰি স্বকীয় Foregrounding সৃষ্টি কৰাটো মন কৰিবলগীয়া৷ এনেধৰণৰ বাক্যিক বিশিষ্টতাই অসমীয়া ভাষাৰ বাক্যগঠনৰ সাধাৰণ নিয়ম উলংঘ কৰি বৰগোহাঞিদেৱ বিষয়বস্তুক বিশিষ্ট ৰূপ দানত সিদ্ধহস্ত হৈ উঠা দেখা যায়৷ যেনে - "অমলে স্থিৰ দৃষ্টিৰে আৰু ধৈৰ্য্যশীল প্ৰতীক্ষাৰে লিলিৰ ফালে চাই আছিল, কিন্তু তেওঁৰ দৃষ্টিত মোহ বা কামনা একো নাছিল, আছিল মাত্ৰ এটা সুগভীৰ বিস্ময়, এটা অপৰিমেয় ৰহস্য চেতনা৷"[১৭] [তান্ত্ৰিক]

ইয়াৰ দ্বিতীয় অদ্ধৰ্যতিৰ পিছত ক্ৰিয়া পদেৰে বাক্যটো আৰম্ভ হৈছে৷ এই ক্ষেত্ৰত ক্ৰিয়াপদটোক অধিক গুৰুত্ব প্ৰদান কৰি বিষয়টো সম্পৰ্কে পাঠকৰ গ্ৰহণযোগ্যতা নিশ্চিত কৰিবলৈ কাৰ্যকৰী ৰূপত বাক্য গঠন কৰা হৈছে৷ বৰগোহাঞিৰ শৈলীত বিষয়বস্তুৰ স্পষ্টতা অধিক তীব্ৰ ৰূপত ফুটাই তুলিবলৈ পুংখানুপুংখ বিষয় বিস্তাৰ নীতিৰে ক্ৰিয়াহীন বাক্য গঠন হোৱাটো সহজেই দৃষ্টিগোচৰ হয়৷ উদাহৰণ স্বৰূপে –

'কেৱল কালি বুলি নহয়, দিনৰ পাছত দিন, ৰাতিৰ পাছত ৰাতি শিৱনাথৰ সদায় সেই একেই জীৱনা'১৮ [পিতা-পুত্ৰ]

'প্ৰহৰে প্ৰহৰে, ঋতুয়ে ঋতুৱে নৈখনৰ সুকীয়া সুকীয়া বিচিত্ৰ ৰূপ।'১৯ [পিতা-পুত্ৰ]

আকৌ অদ্ধৰ্যতিসম্পন্ন এনে দীঘল দীঘল বাক্য বিন্যাসত অসমাপিকা ক্ৰিয়া প্ৰয়োগৰ কৌশল উপন্যাসৰ শৈলীৰ অভিনৱত্ব আনে –

'মই তোক ঘিণ কৰোঁ, চৰিয়াই-ঘুচিয়াই-লথিয়াই আঘাতৰ পিছত আঘাত কৰি মই তোৰ মুখ চিনিব নোৱাৰাকৈ ভাঙি পেলাম, গুৰি কৰি পেলাম, ধ্বংস কৰি পেলাম।'২০ [কুশীলব]

উপন্যাসত বৰ্ণিত কাল সম্পৰ্কে শৈলীবিজ্ঞানত আলোচনা আগবঢ়োৱা হয়। হোমেন বৰগোহাঞিৰ উপন্যাসৰ বাক্য বিন্যাসত কালৰ পৰিবৰ্তন এটা বিশেষ বিশেষত্ব বুলি ক'ব পাৰি। কালৰ পৰিবৰ্তনে বক্তব্য বিষয় অধিক আকৰ্ষণীয় কৰি তোলাৰ লগে লগে কাহিনী সজ্জাৰ দিশত বিশেষ সফলতা প্ৰদান কৰে। বৰ্ণনীয় বিষয়ক একঘেয়ামিৰ প্ৰভাৱৰ পৰা মুক্ত কৰিবলৈ ক্ৰিয়াৰ কালনুক্ৰমিক পৰিবৰ্তনৰ যথেষ্ট প্ৰয়োজন। উদাহৰণ স্বৰূপে –

'নৰেণৰ লগত মোৰ প্ৰায়েই বাটত ভেটাভেটি হয়, কিন্তু সি কোনোদিন মোক নামাতে বা আনকি মোৰ ফালে মূৰ তুলিও নাচায়। বোধহয় মই সৰু ছোৱালী আছিলো, সেই কাৰণেই। সৰু ল'ৰা-ছোৱালীয়ে কেতিয়াও তাৰ মনোযোগ আকৃষ্ট নকৰে। কিন্তু এদিন এটা অভাৱনীয় ঘনটা ঘটিল। আবেলিপৰত মই ঘৰৰ পদূলি মুখতে অকলশৰে থিয় হৈ আছিলো।'২১ [সুবালা]

এনেদৰে বাক্যবোৰত কালৰ পৰ্য্যায়ক্ৰমিক পৰিবৰ্তনে ঔপন্যাসিকৰ কাহিনী পৰিবেশনৰ দক্ষতা স্পষ্ট ৰূপত ফুটি উঠিছে। এনেবোৰ বাক্যিক কৌশলে পাঠকৰ মনযোগ স্থিৰ কৰি ৰখাত যথেষ্ট সক্ৰিয় ভূমিকা পালন কৰে।

**শব্দতাত্ত্বিক প্ৰসংগঃ** শব্দৰ ব্যৱহাৰ ব্যক্তি বিশেষৰ অত্যন্ত ব্যক্তিগত বিষয়। ৰূপতত্ত্ব আৰু বাক্যিক প্ৰসংগত Structural নীতি-নিয়ম কিছু প্ৰাথমিক চৰ্তা কিন্তু ভাষা এটাৰ শব্দ-ভাণ্ডাৰত অন্যান্য ভাষাৰ ভাষিক সমল গ্ৰহণ-বৰ্জন প্ৰক্ৰিয়া চলিয়েই থাকে। সৰ্বতোপৰি শব্দ ব্যৱহাৰত লিংগগত, শ্ৰেণীগত, ধৰ্মগত, উপভাষাগত আৰু যুগ তাড়িত প্ৰভাৱে যথেষ্ট প্ৰভাৱান্বিত কৰে। সাম্প্ৰতিক সময়ত Social Media ৰ বহুল প্ৰচলনত দেখা গৈছে যে এটা নিৰ্দিষ্ট সময়ৰ কাৰণে একো একোটা বিশেষ শব্দ Trending অৰ্ প্ৰৱণতা। গতিকে এনেবোৰ পৰিঘটনাই সাহিত্যিক পাঠবোৰকো যথেষ্ট প্ৰভাৱিত কৰে। ইমানবোৰ প্ৰভাৱৰ মাজতো শব্দচয়ন বা নিৰ্বাচন ক্ষমতা লেখকৰ দক্ষতাৰ পূৰ্ণ পৰিচয় পোৱা যায়। শব্দ এটাৰ সঠিক নিৰ্বাচনে নন্দনতাত্ত্বিক সৌন্দৰ্য বৃদ্ধিৰ লগে লগে উৎকৃষ্ট সফল শৈলী নিৰ্মাণত ভূমিকা গ্ৰহণ কৰে। সেয়ে তুলনামূলক ভাৱে স্বাধীনতা থাকিলেও লেখকে শব্দ নিৰ্বাচনৰ ক্ষেত্ৰত যথাযত সাৱধানতা বজাই ৰখাটো স্বকীয় শৈলী নিৰ্মাণৰ অন্যতম চৰ্তা।

হোমেন বৰগোহাঞিৰ উপন্যাসত শব্দৰ বৈচিত্ৰতা মন কৰিবলগীয়া। ড° অনুৰাধা শৰ্মাৰ মতে, 'শুদ্ধতা, যথাৰ্থতা আৰু স্বচ্ছতাক পূৰ্ণৰূপে নিয়ন্ত্ৰণত ৰাখি তাৰ অনুকুলে শব্দ নিৰ্বাচনতেই থাকে লেখকৰ শৈলী নিৰ্মাণৰ দক্ষতা। গতিকে, স্বাধীনতা আৰু সংযমৰ দ্বন্ধক অতিক্ৰম কৰিহে লেখক শব্দ নিৰ্বাচনত উত্তীৰ্ণ হ'ব পাৰে।"২১ বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলী এনেবোৰ বৈশিষ্ট্যৰ ব্যতিক্ৰমী নহয়। উপযুক্ত শব্দ নিৰ্বাচনত তেওঁ যথেষ্ট সফল।

অসমীয়া ভাষাৰ থলুৱা ৰূপ বা শব্দৰ প্ৰয়োগে তেওঁৰ শৈলীক অনন্য ৰূপ প্ৰদান কৰিছে। তলৰ বাক্যকেইটা চোৱা যাওক –

'ৰাতিপুৱাই দিনটোলৈ ৰসেশ্বৰৰ মুখত এনেকুৱা কথা শুনি ঘৈণীয়েকৰ টিকিচ্ কৰে খং উঠি গ'ল। গিৰিয়েকৰ ফালে পিঠি দি বাগৰ সলাই তাই ক'লে - 'হৈছে, তিৰোতাৰ ওপৰত ইমান বৰ-মতা ওলাব নালাগে। মই তোমাৰ কঠিয়ানিৰ ফালেই মন কৰিম নে ঘৰৰে লেদেনা উকটিম। কালি গোটেই আবেলিটো বহি বহি থাকিলা, বেৰাখন দি পেলাব নোৱাৰিলা?'২৩ [হালধীয়া চৰায়ে বাওধনা খায়]

বাক্যকেইটাত থলুৱা শব্দৰ প্ৰাচুৰ্য্যই পাঠকক থলুৱা জীৱন পদ্ধতি বা মাটিৰ গোন্ধ পাবলৈ নিশ্চয়তা প্ৰদান কৰিছে। তাৰোপৰি এনেবোৰ শব্দই লেখকৰ সৰলতাক ক্ষীপ্ৰ ৰূপ প্ৰদান কৰি পাঠকৰ চিত্তাকৰ্ষক ৰূপে ফুটি উঠিছে।

ভাৱৰ অনুকূলে শব্দচয়ন পদ্ধতিয়ে সাহিত্যিক পাঠ এটাক অনন্য মাত্ৰা প্ৰদান কৰে। বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলী নিৰ্মাণৰ এটা গুৰুত্বপূৰ্ণ স্বকীয়তা আৰু দক্ষতা হৈছে - নিজস্ব ভাৱ - অনুভুতিৰে সিক্ত চৰিত্ৰিক বৈশিষ্ট্যসম্পন্ন একো একোটা চৰিত্ৰৰ খাপ খোৱা শব্দৰ প্ৰয়োগ। অৰ্থাৎ চৰিত্ৰসমূহৰ যাৰ যি প্ৰকৃতি তাৰ মুখত তেনেকুৱাই শব্দ বহুৱাই বৰগোহাঞিদেৱে উপন্যাসৰ শৈলীক ব্যক্তিক্ৰমী ৰূপ প্ৰদান কৰিছে। উদাহৰণস্বৰূপে -

'সুবালা' উপন্যাসৰ মদাহী, লোভী 'কান্তি' নামৰ চৰিত্ৰটিৰ মুখ বক্তব্য –

'চালী ৰাণ্ডী, 'বেশ্যাক বেশ্যাৰ দৰে ব্যৱহাৰ নকৰি পূজা কৰিব লাগে নাকে? বিবাহিতা তিৰোতা? বিবাহিতা তিৰোতা? উপজিবৰ পৰা বুঢ়ী হোৱালৈকে বেশ্যা বৃত্তি কৰোঁতেই জীৱন গ'ল, এতিয়া তাই সতী-সাধবী হৈ পূজা পাবলৈ বিচাৰে? আজি তোক ভালকৈয়ে পূজা দিম ৰ। এই গোৱদা ভিতৰলৈ সোমাই আহ্। তয়ো এটা নপুংসক। মতা মানুহ হৈ সামান্য তিৰোতা এজনীক বশ কৰিব নোৱাৰা।'২৪

'তান্ত্ৰিক' উপন্যাসত 'অৰুণ' নামৰ অধ্যাপকজনৰ বচনভংগী – 'মইতো এনেকৈও ক'ব খোজোঁ যে মানুহৰ আধ্যাত্মিক শান্তিৰ কাৰণে ধৰ্ম, বা দৰ্শনে যিখিনি কৰিব পাৰে, বেছিভাগ মানুহৰ ক্ষেত্ৰতে স্বাস্থ্য-বিধি আৰু চিকিৎসা শাস্ত্ৰই তাতকৈ বেছিহে কৰিব পাৰে। জীৱনৰ লক্ষ্য বা আদৰ্শ সম্পৰ্কে লিখা হেজাৰখন কিতাপতকৈ মই বাট্ৰাণ্ড ৰাছেলৰ এষাৰ মাত্ৰ কথাকেই বেছি গুৰুত্ব দিওঁ – Unhahpy businessman, I am convinced, would increase their hahpiness more by walking six miles every day than by any conceivable change of philosophy.'২৫

'মৎস্যগন্ধা' উপন্যাসত সমাজৰ দলিত শোষিত, অভাৱ-অনাটনত বিদ্ধস্ত জীৱনশৈলীৰ এগৰাকী অৱহেলিতা 'মেনকা' চৰিত্ৰটিৰ কথনভংগী – 'কটা নিধকৰ পো, চুৰিয়া সলাই মেখেলা নিপিন্ধ কিয়? মাইকীৰ চৰ-গোৰ খাই এনেকৈ জীয়াই থকাতকৈ ডিঙিত ভৰা কলহ বান্ধি ম'হঘুলিত পৰি মৰি নাযাৱ কিয়?'চ্ছ

এনেদৰে ঔপন্যাসিকে চাৰিত্ৰিক গঠন অনুসৰি শব্দৰ উপযুক্ত নিৰ্বাচনৰ দ্বাৰা চৰিত্ৰৰ প্ৰকৃতি অতি বাস্তৱ ৰূপত ফুটাই তুলিবলৈ সক্ষম হৈছে৷ আকৌ 'ঘপহ কৰে', 'ভমক কৰে' ইত্যাদি শব্দ প্ৰয়োজন অনুসৰি ব্যৱহাৰ কৰি ঘটনাবস্তুক অধিক কাৰ্যকৰী কৰি তুলিছে৷ তাৰোপৰি অভ্যাসৰ তাড়নাত কিছুমান শব্দক ধবন্যাত্মক ৰূপ দি আকৰ্ষিত কৰি তুলিছে; যেনে - লম্ফ-জম্ফ, হেস্ত-নেস্ত, ছিন্ন-ভিন্ন ইত্যাদি৷ একেটা অৰ্থবোধক দুটা শব্দৰে অনুৰূপ শব্দ হিচাপে বিষয়বস্তুৰ স্পষ্টত নিৰ্দেশ কৰিছে - মিতিৰ-কুটুম, কেচ্ছা-কাহিনী, খেয়াল-খুচি, ডাং-বৰলা, টানে-আপদে ইত্যাদি৷ বৰগোহাঞিদেৱৰ শৈলীত কিছুমান ইংৰাজী শব্দক অসমীয়াকৰণ কৰি ব্যৱহাৰ কৰাত প্ৰৱিলক্ষিত হয়৷ যেনে -প্ৰাক্-কন্ চেপটিভ, চিত্ত-ভ্ৰংশ, অভিযান-ক্ষেত্ৰ ইত্যাদি৷ তাৰোপৰি অজস্ৰ ইংৰাজী স্বতন্ত্ৰ শব্দ, সংস্কৃত শব্দ, পুৰণি অসমীয়া শব্দ, হিন্দী শব্দ, স্থানীয় শব্দৰ সফল ৰূপায়নে হোমেন বৰগোহাঞিক এগৰাকী সুদক্ষ শৈলী নিৰ্মতা ৰূপে সমালোচনা জগতত পৰিচয় কৰাইছে৷

অধ্যয়নৰ অন্তত পোৱা সিদ্ধান্তঃ

- হোমেন বৰগোহাঞিৰ উপন্যাসৰ শৈলী ভাষিক সৃজনশীলতা স্বৰূপে অধিক প্ৰসংগসূচক৷
- ধবনি, ৰূপ, বাক্য, শব্দ আদি ভাষিক সমলবোৰৰ ভিন্নসুৰী বা কৌশলপূৰ্ণ প্ৰয়োগ নীতিয়ে বৰগোহাঞিৰ শৈলীক স্বকীয় ৰূপত প্ৰতিপন্ন কৰাত সহায়ক হৈছে৷
- উপন্যাসৰ শৈলীৰ এনে অধ্যয়নে সাহিত্যত ভাষাৰ অৱস্থান স্পষ্ট কৰে৷
- বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলী অধ্যয়ণে তেওঁৰ ভাৱৰ মৌলিকতা, অধ্যয়নৰ গভীৰতা, বিষয়কেন্দ্ৰিক জ্ঞান, পাণ্ডিত্য ইত্যাদিৰ লগে লগে এগৰাকী দক্ষতাসম্পন্ন শৈলীনিমাৰ্তা ৰূপে পৰিচিতি আগবঢ়াইছে৷

**উপসংহাৰঃ** হোমেন বৰগোহাঞিৰ উপন্যাসৰ শৈলী সম্পৰ্কে আলোচনাৰ অন্তত ক'ব পাৰি যে, ভাষাবিজ্ঞানৰ অন্যান্য, বিভাগবোৰৰ দৰে শৈলীবিজ্ঞানৰ আলোচনাও যথেষ্ট গুৰুত্বপূৰ্ণ৷ অৰ্থাৎ শৈলীবিজ্ঞানৰ আলোচনাই ভাষাতত্ত্ব আৰু Systematic বা বিজ্ঞানসন্মত সমালোচনাৰ পথ মুকলি কৰে৷ এনে আলোচনাৰ পৰিপ্ৰেক্ষিত মন্তব্য কৰিব পাৰি যে, সাহিত্য সৃষ্টিৰ ব্যাপাৰত ভাষাতাত্ত্বিক অভিজ্ঞতাই বিশেষ প্ৰভাৱ বিস্তাৰ কৰে৷ বৰগোহাঞিদেৱৰ উপন্যাসৰ শৈলী অধ্যয়ণ কৰিলে এটা কথা স্পষ্ট হয় যে, ভাষাতাত্ত্বিক অভিজ্ঞতাই তেওঁৰ উপন্যাসবোৰৰ সফল ৰূপান্তৰৰ মুখ্য কাৰণ৷ বিষয়বস্তুৰ স্পষ্ট বৰ্ণনা, সহজ-সৰল ভাষিক সমল, স্থান-কাল-পাত্ৰ ভেদে কলাত্মক দিশবোৰৰ সঠিক প্ৰয়োগ, নান্দনিক চাতুৰ্য্য, ভাষাৰ গাঁথনিক দিশৰ প্ৰয়োজনসাপেক্ষ বিচ্যুতিকৰণ ইত্যাদি কৌশলবোৰে তেওঁৰ উপন্যাসৰ শৈলীক স্বকীয় সম্পন্ন অনন্য ৰূপ প্ৰদান কৰিছে৷ লগতে ভাষিক সৃজনশীল মনোভংগীয়ে হোমেন বৰগোহাঞি দেৱক নিঃসন্দেহে সফল উপন্যাসিক ৰূপে চিহ্নিত কৰাত সহায়ক হৈছে৷

অন্ত্যটীকাঃ-

১] Simpson, Paul : Stylistics, P. 2
২] শৰ্মা, অনুৰাধাঃ শৈলী আৰু শৈলীবিজ্ঞান, পৃ, ২
৩] সদ্যোক্ত, পৃ, ৫২
৪] বৰগোহাঞি, হোমেনঃ চাৰিটা দশকৰ ফচলঃ উপন্যাস সমগ্ৰ, পৃ, ৯
৫] সদ্যোক্ত, পৃ, ২৫৯
৬] সদ্যোক্ত, পৃ, ২৬৭
৭] সদ্যোক্ত, পৃ, ৮
৮] সদ্যোক্ত, পৃ, ১৬১
৯] রায়, অপূর্বকুমারঃ শৈলীবিজ্ঞান, পৃ, ৩২
১০] বৰগোহাঞি, হোমেনঃ পূৰ্বোক্ত, পৃ ৫৯০
১১] সদ্যোক্ত, পৃ, ২৭
১২] সদ্যোক্ত, পৃ, ৬৩৮
১৩] Simpson, Paul : পূবোৰ্ক্ত, P. 50
১৪] বৰগোহাঞি, হোমেনঃ পূবোৰ্ক্ত, পৃ, ৬৪১
১৫] সদ্যোক্ত, পৃ, ২৯৬
১৬] সদ্যোক্ত, পৃ, ২৯৬
১৭] সদ্যোক্ত, পৃ, ১৬১
১৮] সদ্যোক্ত, পৃ, ২৯৭
১৯] সদ্যোক্ত, পৃ, ৩৩৭
২০] সদ্যোক্ত, পৃ, ১৯৩
২১] সদ্যোক্ত, পৃ, ১৪
২২] শৰ্মা, অনুৰাধাঃ পূবোৰ্ক্ত, পৃ ৭১
২৩] বৰগোহাঞি, হোমেনঃ পূবোৰ্ক্ত, পৃ, ২২৩
২৪] সদ্যোক্ত, পৃ, ১০১
২৫] সদ্যোক্ত, পৃ, ১২৯
২৬] সদ্যোক্ত, পৃ, ৬৭৭

গ্ৰন্থপঞ্জীঃ-

**অসমীয়াঃ**

ঠাকুৰ নগেনঃ 'ভাষা আৰু ভাষাচিন্তা', বনলতা, পাণবজাৰ গুৱাহাটী, দ্বিতীয় সংস্কৰণ, ২০১১।

ডেকা, ৰাতুলঃ 'সাহিত্য সমালোচনা তত্ত্ব পৰিচয় আৰু প্ৰয়োগ', সম্প্ৰীতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৭

দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণঃ 'প্ৰয়োগ ভাষাবিজ্ঞানৰ ৰূপৰেখা', বিশাল প্ৰকাশন, গুৱাহাটী, ২০১৭।

বৰগোহাঞি, হোমেনঃ 'চাৰিটা দশকৰ ফচলঃ উপন্যাস সমগ্ৰ', ষ্টুডেন্টচ্ ষ্ট'ৰচ্, গুৱাহাটী, দ্বিতীয় সংস্কৰণ, ২০০৮।

শৰ্মা, অনুৰাধাঃ শৈলী আৰু শৈলীবিজ্ঞান', বান্ধৱ, পাণবজাৰ, গুৱাহাটী, ২০১৫।

**ইংৰাজীঃ**

Abrams, M.H.S.

Harpham, Geoffrey Galt: 'A Glossary of Literary Terms', Cengage, Eleventh Edition.

Chapman, Raymond: 'Linguistics and Literature', Edward Annold Ltd., 25th Hill Street, London, 1973.

Simpson, Paul: 'Stylistics: A Resource book for Students', Rotledge, London, 2004.

**বাংলাঃ**

রায়, অপূর্বকুমারঃ 'শৈলীবিজ্ঞান', দে'জ পাবলিশিং, কলকাতা, ২০০৬।